# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-09-2024
**Time :** 18-45 Hrs.

***Assamese Evening Bulletin***

**Headlines**

১। ১৯ ছেপ্তেম্বৰত আৰম্ভ হ'বলগীয়া তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনি আৰু ১৭ লাখ লোকক ৰেচন কাৰ্ড প্ৰদান সন্দৰ্ভত সাংসদ, বিধায়ক আৰু জিলা আয়ুক্তসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ গুৰুত্বপূৰ্ণ বৈঠক।

২। অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ বাবে জিলা প্ৰশাসনসমূহৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ। আইন শৃংখলা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ।

৩। কেন্দ্ৰীয় চৰকাৰৰ শ্ৰম, নিয়োগ, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ দপ্তৰৰ মন্ত্ৰী শোভা কৰন্দলাজৰ দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্ত পৰিদৰ্শন।

৪। দেশৰ অন্যান্য ঠাইৰ লগতে আজি ৰাজ্যৰ বিভিন্ন জিলাত ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশমৰ্মে লোক আদালত অনুষ্ঠিত। **আৰু**

৫। অসমৰ প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় ফুটবলাৰ তাৰকা টছেন বৰাৰ বিয়োগ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে বিভিন্নজনৰ শোক প্ৰকাশ।

ooo

অসম চৰকাৰে অহা ১৯ চেপ্তেম্বৰত অৰুণোদয় তৃতীয় পৰ্যায়ৰ আঁচনিৰ অধীনত ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ ১২ লাখ ৬০ হাজাৰ নতুন হিতাধিকাৰীক সামৰি ল'ব। তদুপৰি একেদিনাই ১৭ লাখ হিতাধিকাৰীলৈ নতুন ৰেচন কাৰ্ড প্ৰদান প্ৰক্ৰিয়া আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি তৃতীয় পৰ্যায়ৰ অৰুণোদয় আৰু ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন সম্পৰ্কীয় এখন বৈঠকত অংশ লোৱাৰ পাছত এই বিষয়ে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে ভাৰ্চুৱেল মাধ্যমেৰে সাংসদ বিধায়ক আৰু জিলাসমূহৰ আয়ুক্তসকলক এই দুয়োটা পদক্ষেপ কাৰ্যকৰী কৰাৰ দিশত সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। তেওঁ লগতে হিতাধিকাৰীসকলৰ মাজত সজাগতা বৃদ্ধিত গুৰুত্ব আৰোপ কৰি জিলা আয়ুক্তসকলক প্ৰতিটো বিধানসভা এলেকাত একোখনকৈ সভা অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে এই দিনটো ৰাজ্যখনৰ উন্নয়নৰ দিশত দুটা ধবজাবাহী পদক্ষেপৰ সূচনাৰে গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব।

ooo

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে অহা ২৯ ছেপ্তেম্বৰত অনুষ্ঠিত কৰিবলগীয়া স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পদ আৰু মেট্ৰিক পৰ্যায়ৰ চালকৰ তৃতীয় বৰ্গৰ পদৰ লিখিত পৰীক্ষাৰ বাবে প্ৰৱেশ পত্ৰ অহা ১৬ ছেপ্তেম্বৰৰ পৰা প্ৰদান কৰা হ'ব। এই সন্দৰ্ভত আয়োগে প্ৰকাশ কৰা এখন জাননী অনুযায়ী ১৬ ছেপ্তেম্বৰৰ পুৱা ১১ বজাৰ পৰা অসম চৰকাৰৰ ৱেবছাইট www.assam.gov.in আৰু অসম মাধ্যমিক পৰিষদৰ ৱেবছাইট www.site.sebaonline.orgৰ জৰিয়তে প্ৰাৰ্থীসকলে প্ৰৱেশ পত্ৰসমূহ ডাউনল'ড কৰিব পাৰিব। লিখিত পৰীক্ষাৰ দিনা প্ৰাৰ্থীসকলে প্ৰৱেশ পত্ৰৰ লগতে আধাৰ কাৰ্ড, পান কাৰ্ড, ড্ৰাইভিং লাইচেন্স, ভোটাৰ কাৰ্ডকে ধৰি নিৰ্ধাৰিত ফটোযুক্ত পৰিচয় পত্ৰ দেখুওৱাব লাগিব। আয়োগে লগতে প্ৰৱেশ পত্ৰত সন্নিবিষ্ট

হৈ থকা নীতি-নিৰ্দেশনাসমূহ প্ৰাৰ্থীসকলে মানি চলিব লাগিব বুলি নিৰ্দেশনাটোত উল্লেখ কৰিছে। উল্লেখযোগ্য যে ২৯ ছেপ্তেম্বৰৰ দিনা আগবেলা পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পৰীক্ষা আৰু পাছবেলা দুপৰীয়া ডেৰ বজাৰ পৰা বিয়লি চাৰে ৪ বজালৈ মেট্ৰিক পৰ্যায়ৰ চালকৰ পদৰ বাবে পৰীক্ষা অনুষ্ঠিত হ'ব। সংশ্লিষ্ট কৰ্তৃপক্ষই দিয়া তথ্য অনুযায়ী স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ ৪ হাজাৰ ৫৫টা পদৰ বাবে ৫ লাখ ২৯ হাজাৰ ৯৮৯ গৰাকী প্ৰাৰ্থী আৰু চালকৰ ৪১৮টা পদৰ বাবে ২ লাখ ৪ হাজাৰ ৯৯১ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব।

০০০

কাইলৈ হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰীক্ষাৰ বাবে প্ৰতিখন জিলা প্ৰশাসনে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে আইন শৃংখলাৰ দিশটোতো গুৰুত্ব আৰোপ কৰিছে। এই অনুসৰি যোৰহাট জিলাত অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ প্ৰথম পৰ্যায়ৰ প্ৰস্তুতিৰ বাবে নিয়োজিত পৰ্যবেক্ষকে আজি জিলাখনৰ বিভিন্ন পৰীক্ষা কেন্দ্ৰসমূহ পৰিদৰ্শন কৰে। এই সন্দৰ্ভত যোৰহাট আৱৰ্ত ভৱনৰ সভাকক্ষত জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক আৰু জিলা প্ৰশাসনৰ অন্যান্য বিষয়াসকলৰ পৰ্যবেক্ষকগৰাকীৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত পৰীক্ষা কেন্দ্ৰসমূহৰ সীমা, পৰীক্ষা কোঠা, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা, যাতায়াত ব্যৱস্থা ইত্যাদি বিষয়সমূহৰ পুংখানুপুংখ আলোচনা কৰা হয়। ইয়াৰ লগতে ষ্ট্ৰং ৰুমৰ নিৰাপত্তাৰ দৰে আইন শৃংখলাজনিত বিষয়ৰ সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়।

শিৱসাগৰ জিলাত শিৱসাগৰ পৌৰ সভাৰ অধীনত এক নম্বৰ ৱাৰ্ডৰ ধাইআলিত প্ৰতি দেওবাৰে বহা কৃষক বজাৰখন কাইলৈ প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত বন্ধ ৰখাৰ ঘোষণা কৰা হৈছে। পৰীক্ষাৰ্থীসকলৰ যাতায়াতৰ সুব্যৱস্থাৰ বাবে বজাৰ এলেকাৰ পথৰ কাষত দোকান, পোহাৰ বহিবৰ বাবে অনুমতি প্ৰদান কৰা নহ'ব বুলি শিৱসাগৰ পৌৰ সভাই এখন জাননী জাৰি কৰিছে।

বাক্সা জিলাতো সুকলমে পৰীক্ষা অনুষ্ঠিত কৰিবৰ বাবে জিলা প্ৰশাসনে কেতবোৰ নিৰ্দেশনাৱলী জাৰি কৰিছে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ ৪৫টা কেন্দ্ৰত অনুষ্ঠিত কৰিবলগীয়া পৰীক্ষাত প্ৰায় ২০ হাজাৰ পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। জিলাখনৰ দুটা সংবেদনশীল কেন্দ্ৰত জিলা প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা বুলি জানিবলৈ দিছে। নিয়াৰিকৈ পৰীক্ষা পৰিচালনা কৰিবৰ বাবে ফ্লায়িং স্কোৱাড আৰু ভ্ৰাম্যমান চিকিৎসা ব্যৱস্থা লোৱা হৈছে। উল্লেখযোগ্য যে পৰীক্ষা কেন্দ্ৰত মোবাইল ফোন, যিকোনো ইলেকট্ৰনিক সঁজুলি, ঘড়ী, ইলেকট্ৰনিক পেন, স্কেনাৰ, ব্লুটুথ, এয়াৰফোন, মাইক্ৰফোন, কেলকুলেটৰ, পেনড্ৰাইভ আৰু অন্যান্য সংৰক্ষণ মাধ্যমৰ যন্ত্ৰসমূহ নিষিদ্ধ কৰাৰ লগতে কেন্দ্ৰসমূহৰ ৱাইফাই ব্যৱস্থাও বন্ধ থাকিব বুলি জিলা প্ৰশাসনে জানিবলৈ দিছে।

দৰং জিলাতো প্ৰায় ৪১ হাজাৰ প্ৰাৰ্থীয়ে মুঠ ৭৭টা কেন্দ্ৰত এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰিবৰ বাবে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬২ নম্বৰ ধাৰাৰ অধীনত জিলা দণ্ডাধীশে কেতবোৰ নিৰ্দেশনা আৰু নিয়মাৱলী জাৰি কৰিছে। ইফালে জিলা পৰিবহণ বিষয়াই জনোৱা মতে পৰিবহণ বিভাগে পৰীক্ষা কেন্দ্ৰত উপস্থিত হওঁতে প্ৰাৰ্থীসকলে যাতে যাতায়াতত কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

কৰিমগঞ্জত পৰীক্ষাৰ্থীসকলৰ পৰীক্ষা কেন্দ্ৰলৈ সুচাৰুৰূপে আগমন সুনিশ্চিত কৰিবৰ বাবে কৰিমগঞ্জ চক্ৰ বিষয়াই কৰিমগঞ্জ মহাবিদ্যালয়ৰ সন্মুখকে ধৰি বিভিন্ন পৰীক্ষা কেন্দ্ৰসমূহৰ নিকটৱৰ্তী পথৰ অস্থায়ী বজাৰসমূহ বন্ধ কৰাৰ নিৰ্দেশ দিছে। এই নিৰ্দেশনা অনুসৰি দেওবাৰে পুৱা ৪ বজাৰ পৰা বিয়লি ৫ বজালৈ

অঞ্চলটোৰ পথৰ কাষৰ অস্থায়ী বজাৰসমূহ বন্ধ থাকিব। ইয়াৰ উপৰি কোনোধৰণৰ বাহন ন-পাৰ্কিং জ’নত নাৰাখিবলৈ নিৰ্দেশনাটোত কোৱা হৈছে।

০০০

কেন্দ্ৰীয় চৰকাৰৰ শ্ৰম, নিয়োগ, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ দপ্তৰৰ মন্ত্ৰী শোভা কৰন্দলাজে আজি দক্ষিণ শালমাৰা মানকাছৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্ত পৰিদৰ্শন কৰে। কালি বিয়লি জিলাখনত উপস্থিত হোৱা মন্ত্ৰীগৰাকী আজি পুৱাৰ ভাগত হাতশিঙিমাৰী আৰ্বত ভৱনৰ পৰা ভাৰত-বাংলাদেশ সীমান্ত পথেৰে মানকাছৰৰ সাহাপাৰা বি এছ্ এফ চাউনীত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে আন্তৰাষ্ট্ৰীয় গেটেৰে কাইটীয়া তাঁৰৰ সিপাৰে ভাৰতৰ ভূমিত থকা জি লেণ্ডত উপস্থিত হৈ সীমান্ত পৰ্যবেক্ষণ কৰে। বি এছ্ এফৰ শীৰ্ষ বিষয়া আৰু জিলা প্ৰশাসনৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনাৰ অন্তত মন্ত্ৰীগৰাকীয়ে মানকাছৰৰ কামাখ্যা মন্দিৰত দেৱীৰ আশীষ গ্ৰহণ কৰে। ইয়াৰ পাছতে তেওঁ মেঘালয়ৰ তুৰা হৈ গুৱাহাটীলৈ ৰাওনা হয়।

০০০

বিশ্ব পৰ্যটন দিৱস উপলক্ষে ৰাজ্যৰ পৰ্যটন সঞ্চালকালয়ে কালচাৰ এণ্ড হেৰিটেজ শীৰ্ষক এটা অনলাইন ফটোগ্ৰাফী প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ৰাজ্যখনৰ সংস্কৃতি আৰু ঐতিহ্যক প্ৰতিফলিত কৰিব পৰাকৈ আলোকচিত্ৰ এই প্ৰতিযোগিতালৈ প্ৰেৰণৰ বাবে আহ্বান জনোৱা হৈছে। প্ৰতিগৰাকী প্ৰতিযোগীয়ে কমেও ১০ খন নিজে তোলা আলোকচিত্ৰ পঠিয়াব লাগিব। এই প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ হিচাপে ক্ৰমে ৫০ হাজাৰ, ৩০ হাজাৰ আৰু ২০ হাজাৰ টকাকৈ আগবঢ়োৱা হ’ব। প্ৰতিযোগিতাত যোগদানৰ শেষ দিন ২৩ ছেপ্তেম্বৰ। ইফালে সঞ্চালকালয়ে এই দিৱসৰ সৈতে সংগতি ৰাখি নেচাৰ এণ্ড ৱাইল্ডলাইফ শীৰ্ষক বিষয়ত ভিডিঅ’গ্ৰাফী প্ৰতিযোগিতাৰো আয়োজন কৰিছে। প্ৰতিযোগিতাৰ বাবে ৩ মিনিটৰ ভিতৰত হোৱাকৈ ভিডিঅ’ পঠিয়াব লাগিব। এই প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ হিচাপে ক্ৰমে-১ লাখ, ৭৫ হাজাৰ আৰু ৫০ হাজাৰ টকা প্ৰদান কৰা হ’ব। ইচ্ছুক প্ৰতিযোগীয়ে Directorate-tourism@Assam.gov.in নাইবা Boroland tourism@yahoo.com লৈ প্ৰতিযোগিতাৰ বাবে ফটো বা ভিডিঅ’ পঠিয়াব পাৰে।

০০০

ৰাজ্যৰ চাহ জনগোষ্ঠীয় লোকসকলে আজি কৃষি ভিত্তিক উৎসৱ কৰম পৰ্ব্ব পালন কৰে। কৃষিকাৰ্য সুকলমে সম্পন্ন কৰাৰ বাবে চাহ জনগোষ্ঠীৰ লোসকলে এই পূজা বা পৰ্ব্ব পালন কৰে। এই উপলক্ষে জনগোষ্ঠীটোৰ যুৱক-যুৱতীসকলে ঝুমুৰ নৃত্য পৰিবেশন কৰি উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি কৰে। এই পূজাৰ সৈতে জনগোষ্ঠীটোৰ পৰম্পৰাগত কলা সংস্কৃতি, ৰীতি নীতি আদি জড়িত হৈ আছে। কৃষিভূমিৰ উৰ্বৰতা আৰু শস্যৰ শ্ৰীবৃদ্ধি কামনাৰে পালন কৰা এই পূজা ৩ দিন, ৫ দিন বা সাদিনীয়াকৈ পালন কৰা হয়।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰম পৰ্ব্ব উপলক্ষে চাহ জনগোষ্ঠীয় লোকসকলৰ লগতে সকলোলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এই পৰ্ব্বৰে সকলোৰে জীৱন সুখ-সমৃদ্ধি আৰু আনন্দৰে পৰিপূৰ্ণ কৰি তুলিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

০০০

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ অনুশাসন কমিটীৰ কেইবালানি বৈঠকত কমিটীৰ অধীনস্থ বিভিন্ন জিলা, ব্লক সমিতিসমূহ আৰু তৃণমূল পৰ্যায়ৰ কৰ্মীসকলৰ পৰা নিকট লোকসভা নিৰ্বাচনৰ সময়ত সংঘটিত বিভিন্ন দলীয় কাৰ্যকলাপ সম্বন্ধীয় শুনানী গ্ৰহণ কৰা হয়। শুনানীকালত অনুশাসন কমিটীয়ে গোৱালপাৰা,

কামৰূপ, হাইলাকান্দি, লখিমপুৰ, মাজুলী, তিনিচুকীয়া, বৰপেটা, কোকৰাঝাৰ, ধেমাজি, দক্ষিণ শালমাৰা মানকাচৰ, হোজাই, নগাঁও, দৰং, ওদালগুৰি, ধুবুৰী আৰু বাক্সা জিলাৰ ব্লক আৰু মণ্ডল কমিটীৰ লগতে বিভিন্ন পদবীধাৰী ব্যক্তিৰ পৰা ৫৬টাতকৈও অধিক দল বিৰোধী কাৰ্যকলাপ সম্পৰ্কে অভিযোগ গ্ৰহণ কৰে। এই সন্দৰ্ভত কমিটীয়ে অসম প্ৰদেশ কংগ্ৰেছৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিং আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ লগত কেইবালানি আলোচনাত অংশগ্ৰহণ কৰে। তদন্তৰ অন্তত ৫ জন দলীয় কৰ্মীৰ বিৰুদ্ধে দলীয় অনুশাসন ভংগৰ অভিযোগেৰে ৭ দিনৰ ভিতৰত কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰা হয়। এই অনুযায়ী বিধায়ক আব্দুৰ ৰছিদ মণ্ডল, ৰেকিবুদ্দিন আহমেদ, ভৰত চন্দ্ৰ নৰহ, অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সমিতিৰ সভানেত্ৰী মীৰা বৰঠাকুৰ আৰু হাইলাকান্দিৰ জিলা কংগ্ৰেছ সমিতিৰ সভাপতি ছামছুদ্দিন লস্কৰক কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰা হয়। ইয়াৰ উপৰি অনুশাসন কমিটীয়ে প্ৰাক্তন মন্ত্ৰী নীলমণি সেন ডেকাই অনুশাসন ভংগ নকৰাৰ লিখিত প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ ভিত্তিত পুনৰ দলভুক্তকৰণৰ বাবে নিখিল ভাৰত কংগ্ৰেছ কমিটীলৈ অনুমোদন বিচাৰি প্ৰতিবেদন প্ৰেৰণ কৰে।

০০০

দেশৰ অন্যান্য ঠাইৰ লগতে আজি ৰাজ্যৰ বিভিন্ন জিলাত ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশমৰ্মে লোক আদালত অনুষ্ঠিত  হয়। মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণ আৰু জিলা ন্যায়পালিকাৰ সহযোগত আজি জিলাখনৰ কেইবাখনো আদালতত লোক আদালত কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত, মাজুলী জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত আৰু কাৰ্যবাহী দণ্ডধীশৰ আদালতত এই লোক আদালত অনুষ্ঠিত হয়। এই কাৰ্যসূচীৰ দ্বাৰা নিষ্পত্তিৰ বাবে মুঠ এহেজাৰ ৮০ টা গোচৰ ধাৰ্য কৰা হৈছিল যদিও ৩৯৯ টা নিষ্পত্তি কৰা হয়। ইয়াৰ দ্বাৰা ১৮ লাখ ৭১ হাজাৰ ৫৯৮ টকা আহৰণ কৰা হয়। এই লোক আদালতত জিলা আৰু সত্ৰ ন্যায়াধীশ, জিলা মুখ্য ন্যায়াধীশ, মহকুমা ন্যায়িক দণ্ডাধীশ আৰু জিলা আইন সেৱা প্ৰাধিকৰণৰ বিষয়ববীয়া উপস্থিত থাকে। এই আদালতত ফৌজদাৰী আপোচযোগ্য গোচৰ, মটৰ দুৰ্ঘটনা, যান-বাহন সম্পৰ্কীয় গোচৰ আৰু দেৱানী গোচৰো নিষ্পত্তি কৰা হয়।

দক্ষিণ শালমাৰা মানকাছৰ জিলাত আজিৰে পৰা জিলা আইন সেৱা প্ৰাধীকাৰীৰ উদ্যোগত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত  হৈছে।  ফেকামাৰীত থকা জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত চৌহদত আয়োজিত এই আদালতত বিভিন্ন দেৱানি বিবাদ, অসামৰিক বিবাদৰ গোচৰ, পাৰিবাৰিক সমস্যাৰ লগতে বিভিন্ন গোচৰ নিস্পত্তিৰ ব্যৱস্থা কৰা হৈছে। এইবেলি জিলাখনত প্ৰায় ৭ হাজাৰ গোচৰ নিস্পত্তিৰ বাবে লোৱা হৈছে বুলি জানিব পৰা গৈছে। ইয়াৰ ভিতৰত আজি লোক আদালতৰ জৰিয়তে এহেজাৰ ৬৩৩ টা গোচৰ নিস্পত্তি কৰা হয়। ইয়াৰ ভিতৰত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ এহেজাৰ ৩১১ টা গোচৰ নিষ্পত্তি কৰা হৈছে। আনহাতে, এইবাৰ এই আদালতৰ জৰিয়তে জিলাখনত ২ কোটি ৩০ লাখ ৬৩ হাজাৰৰো অধিক টকা সংগ্ৰহ কৰা হৈছে। কোকৰাঝাৰ জিলাতো লোক আদালত অনুষ্ঠিত হয়। এই আদালতত বিভিন্ন নিষ্পত্তি নোহোৱা গোচৰ মীমাংশা কৰা হয়।

০০০

নাহৰকটিয়াৰ কলিয়াপানী, ২ নম্বৰ বৰবামগাওঁ নিৱাসী আন্তৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অসমৰ ফুটবলাৰ টছেন বৰাৰ আজি পুৱতি নিশা ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। ভাৰতীয় দলৰ হৈ খেলা ফুটবলাৰ গৰাকী  ক্ৰীড়াপ্ৰেমী ৰাইজে অসমৰ মাৰাদনা হিচাপে অভিহিত কৰিছিল। আজি অসম অলিম্পিক সন্থাই এখন শোকসভাৰ আয়োজন কৰি ফুটবলাৰগৰাকীৰ  বিয়োগত শ্ৰদ্ধা জ্ঞাপন কৰে।

এই কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী তথা সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱালো উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে খেলুৱৈগৰাকীৰ  বিদেহ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে, সন্তষ ট্ৰফীত ৭ বাৰ অসম দলক প্ৰতিনিধিত্ব কৰা বৰাই কেইবাখনো আন্তৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিছিল। তেওঁ অসম পুলিচ আৰু অল ইণ্ডিয়া ফুটবল দলৰ প্ৰশিক্ষক হিচাপে সেৱা আগবঢ়াইছিল। তেওঁৰ মৃত্যুত অসমে এজন প্ৰতিষ্ঠিত খেলুৱৈ প্ৰশিক্ষক তথা ক্ৰীড়া সংগঠক হেৰুৱালে বুলি আজি অলিম্পিক সন্থাৰ সভাত প্ৰকাশ কৰা হয়। অনুষ্ঠানত কেইবাগৰাকী ক্ৰীড়াবিদ উপস্থিত থাকে।

ইফালে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ফুটবলাৰগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। এটা বাৰ্তাত তেওঁ কয় যে, ভাৰতীয় ফুটবল দলক প্ৰতিনিধিত্ব কৰি অসমক গৌৰৱান্বিত কৰা ক্ৰীড়াবিদগৰাকীৰ বিয়োগ ৰাজ্যখনৰ বাবে অপূৰণীয় ক্ষতি। মুখ্যমন্ত্ৰীয়ে তেওঁৰ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

০০০

শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে আজি গোৱালপাৰা জিলাৰ দুধনৈ মহাবিদ্যালয় আৰু আমজোঙাত থকা পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ত উপস্থিত হৈ দুয়োখন শিক্ষানুষ্ঠানত শ্ৰেণীকোঠাৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰথমে পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ত উপস্থিত হৈ এক কোটি ১৭ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া কলা বিভাগৰ অতিৰিক্ত শ্ৰেণীকোঠাৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ পাছত ডা০ পেগুৱে দুধনৈ মহাবিদ্যালয়ত ২৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এটা অতিৰিক্ত শ্ৰেণীকোঠাৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে গোৱালপাৰা মহাবিদ্যালয়তো ৰেডিঅ' গোৱালপাৰা ৮৯ দশমিক ৬ এফ এম শীৰ্ষক এটা অনাতাঁৰ কেন্দ্ৰৰো শুভ উদ্বোধন কৰে।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত প্ৰধানমন্ত্ৰী সূৰ্যঘৰ আঁচনি সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ উপ প্ৰৱন্ধক বৈশালী তালুকদাৰ আৰু সহকাৰী প্ৰৱন্ধক বিনয় নাথ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। আগ্ৰহী শ্ৰোতাই অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰত ফোন কৰি কথা পাতিব পাৰিব।

০০০

কৃষি আৰু কৃষক কল্যান বিভাগৰ ৰাজ্যিক মন্ত্ৰী ৰামনাথ ঠাকুৰে কয় যে খাদ্য সুৰক্ষা আৰু পুষ্টি নিশ্চিত কৰাৰ বাবে ভাৰতবৰ্ষই বিশ্বৰ সৰ্ববৃহৎ খাদ্য ভিত্তিক সুৰক্ষা কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। আজি ব্ৰাজিলৰ কুইয়াবাত অনুষ্ঠিত জি-২০ কৃষি মন্ত্ৰীপৰ্য্যায়ৰ বৈঠকত ভাষণ দি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে কৃষি উন্নয়নত অগ্ৰাধিকাৰ দিছে। তেওঁ লগতে কয় যে ভাৰতৰ এই পন্থাই উৎপাদনশীলতাতে কেৱল গুৰুত্ব আৰোপ কৰা নহয়, ই অৰ্থনৈতিক সামাজিক, পাৰিপাৰ্শ্বিক বহনক্ষমতা সুনিশ্চিত কৰা, কৃষকক সমৃদ্ধিশালী কৰা আৰু উন্নয়নৰ বাবে এক ব্যাপক দৃষ্টিভংগী সম্ভৱ কৰি তোলা বিষয়তো গুৰুত্ব আৰোপ কৰিছে। মন্ত্ৰীগৰাকীয়ে বহনক্ষম আৰু সমৃদ্ধিশালী ভৱিষ্যতৰ বাবে স্থিতিস্থাপক কৃষি ব্যৱস্থা গঢ়ি তোলা বিষয়ৰ প্ৰতি ভাৰতৰ দায়বদ্ধতাৰ ওপৰত আলোকপাত কৰে।

০০০

তামুলপুৰৰ নাগ্ৰিজুলি চাহ বাগিচাত আজি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে ওড়িয়া জনগোষ্ঠীৰ নুৱাখাই ৰংমহল ভৱনৰ আধাৰশিলা স্থাপন কৰে। ওড়িয়া জনগোষ্ঠীয় কৃষ্টি চিহ্নৰে সজ্জিত হ'বলগীয়া ভৱনটোৰ নিৰ্মাণকাৰ্য শুভাৰম্ভণি অনুষ্ঠানত আজি শ্ৰীবড়োক জনগোষ্ঠীটোৰ পাৰম্পৰিক ৰীতি-নীতিৰে আদৰণি জনোৱা হয়। অনুষ্ঠানটোত ওড়িয়া জনগোষ্ঠীৰ পৰম্পৰা সংৰক্ষণৰ কাৰণে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে লোৱা এই পদক্ষেপৰ অসম ওড়িয়া যুৱ পৰিষদৰ নেতৃবৃন্দই শলাগ লয়।

০০০

সাংসদ কামাখ্যা প্ৰসাদ তাছাই আজি যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত এখন মাতৃবন উদ্বোধন কৰে। যোৱা ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে আৰম্ভ কৰা মাতৃ নামত এজোপা গছ অভিযানৰ অংশ হিচাপে বৰ্ষাৰণ্য প্ৰতিষ্ঠানটোৱে এই মাতৃবনখন তৈয়াৰ কৰি উলিয়াইছে। মুঠ ১২৫০ বৰ্গমিটাৰ মাটিকালিত ১৬ বিধ থলুৱা প্ৰজাতিৰ প্ৰায় ৩৫০ জোপা গছপুলিৰে মাতৃবনখনৰ আৰম্ভণি কৰা হৈছে।

০০০

বঙাইগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আজি জিলাখনৰ সৃজনগ্ৰাম, বইটামাৰী, বঙাইগাঁও, মাণিকপুৰ আৰু ডাংতল ৰাজহ চক্ৰৰ অধীনৰ ভূমি সম্পৰ্কীয় ৰাজহুৱা অভিযোগ নিষ্পত্তিকৰণৰ বাবে জিলা আয়ুক্ত নৱদ্বীপ পাঠকৰ সভাপতিত্বত আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন সভা অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত, আটাইকেইটা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া আৰু সংশ্লিষ্ট লাট মণ্ডলৰ উপস্থিতিত যিসকল লোকে ভূমি সম্পৰ্কীয় অভিযোগ প্ৰশাসনৰ ওচৰত দাখিল কৰিছিল তেওঁলোকৰ অভিযোগবোৰ নিষ্পত্তিকৰণৰ ব্যৱস্থা কৰা হয়। আনহাতে একেখন সভাতে বঙাইগাঁও পৌৰ সভাৰ অন্তৰ্গত বিভিন্ন ৰাজহুৱা সমস্যা নিষ্পত্তিকৰণৰ বাবেও ব্যৱস্থা কৰা হয়। বঙাইগাঁও পৌৰ সভাৰ ৱাৰ্ডসমূহৰ সীমা সমস্যা, পানীৰ সমস্যা আদিকে ধৰি লিখিত অভিযোগসমূহৰ প্ৰত্যক্ষ শুনানী গ্ৰহণ কৰি শ্ৰীপাঠকে পৌৰ সভাৰ কাৰ্যবাহী বিষয়াক এইসমূহৰ নিষ্পত্তিৰ নিৰ্দেশ দিয়ে।

০০০

**ঃঃ সমাপ্ত ঃঃ**